# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-05-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

**- - - - - - -**

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে আজি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। এই পৰ্যায়ত সোমবাৰে দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। প্ৰচাৰৰ সামৰণি পৰিবলৈ মাজত কেইঘণ্টামান বাকী থকা পৰিপ্ৰেক্ষিতত বিভিন্ন দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলোৱা পৰিলক্ষিত হৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওড়িশাৰ কান্ধামাল জিলাৰ ফুলবানীত এখন নিৰ্বাচনী সমাবেশত  অংশগ্ৰহণ কৰে। নিৰ্বাচনী প্ৰচাৰ সভাখনত বিৰোধী দল কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি শ্ৰী মোদীয়ে দাবী কৰে যে, অহা ৪ জুনৰ সাধাৰণ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত কংগ্ৰেছে লোকসভাত বিৰোধী দল হিচাপেহে স্বীকৃত হ'ব। বিজেপি নেতৃত্বাধীন এন ডি এই নিৰ্বাচনত ৪০০ খনতকৈও অধিক লোকসভা আসনত জয়ী হ'ব বুলি দাবী কৰি জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে কংগ্ৰেছে কেৱল ৫০ খন আসনতহে জয়লাভ কৰিব পাৰিব বুলি মত প্ৰকাশ কৰে। কংগ্ৰেছ শাসন কালক কু-শাসনৰ অভিধা দি শ্ৰী মোদীয়ে কয় যে, সেই সময়ত দেশত সন্ত্ৰাসবাদী আক্ৰমণৰ সংখ্যা বেছি আছিল। তেওঁ লগতে কংগ্ৰেছ শাসন কালত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাসমূহৰ সঠিক তদন্ত নোহোৱা বুলিও অভিযোগ কৰে। দুদিনীয়া কাৰ্যসূচীৰে ওড়িশালৈ যোৱা প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পাছত বাৰগড় সংসদীয় সমষ্টিটো এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে।

অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিহাৰৰ বেগুচৰাই চহৰত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কয় যে, বিজেপিৰ সবল নেতৃত্বত কিছু বছৰৰ ভিতৰতে প্ৰাক অধিকৃত কাশ্মীৰ আকৌ ভাৰতৰ অংশ হিচাপে স্বীকৃত হ'ব। সংবাদ মাধ্যমৰ সৈতে হোৱা এক বাৰ্তালাপত বিজেপি নেতাগৰাকীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে চৰকাৰে লোৱা স্থিতিৰ বিৰুদ্ধাচাৰণ কৰাৰ কাৰণে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে।

ইফালে, কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়েও আজি অন্ধ্ৰপ্ৰদেশৰ কাদাপ্পাত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰী গান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰখনক সমালোচনা কৰি এন ডি এৰ শাসনকালত দেশৰ ৯০ শতাংশ লোকৰ অধিকাৰ আৰু বিকাশ বিঘ্নিত হৈছে বুলি দাবী কৰে।

আনহাতে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়েও আজি  বিহাৰৰ পাটনাত নিৰ্বাচনী প্ৰচাৰ চলায়। কংগ্ৰেছ নেতাগৰাকীয়ে বিহাৰৰ ৰাজধানী চহৰখনত সংবাদ মাধ্যমক সম্বোধন কৰি শাসক পক্ষৰ নিৰ্বাচনী স্থিতিক তীব্ৰ সমালোচনা কৰে।

আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱালেও আজি দেশত এতিয়া একনায়কত্ববাদ চলি আছে বুলি দাবী কৰি ১৪০ কোটি ভাৰতীয় জনসাধাৰণক ইয়াৰ বিৰুদ্ধে নিৰ্বাচনী যুঁজ দিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীৰ

বৈচিত্ৰহীন এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচন আৰু এজন নেতাৰ সপোনক স্বৈৰাচাৰী আখ্যা দি ইয়াৰ বিৰুদ্ধে সংঘবদ্ধ হ'বলৈ দেশবাসীক আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ বন আৰু পৰিৱেশ তথা জলবায়ু পৰিৱৰ্তন বিভাগৰ সহযোগত আৰু অসম বিজ্ঞান সমিতিৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে মৰিগাঁৱৰ চাৰন বিল জলক্ৰীড়া প্ৰকল্পস্থলিত প্ৰকৃতি সজাগতা শিবিৰ মুকলি কৰা হৈছে। জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ শতাধিক ইকো ক্লাবৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে এই শিবিৰত অংশ লৈছে। জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই এই শিবিৰ মুকলি কৰি বন ধ্বংসৰ দৰে কাম কাজৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত মৰিগাঁও মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক ড০ হেমন্ত কুমাৰ নাথ আৰু অসম বিজ্ঞান সমিতিৰ উপ সভাপতি নিৰোধ বৰাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ৰাষ্ট্ৰীয় লোক আদালতৰ সৈতে সংগতি ৰাখি দক্ষিণ শালমাৰা মানকাচৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আজি হাটশিঙিমাৰীত লোক আদালত অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণ তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত হাটশিঙিমাৰীৰ জিলা সত্ৰ ন্যায়াধীশৰ আদালত চৌহদত এই কাৰ্যসূচী গ্ৰহণ কৰা হয়। লোক আদালতত ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, ৰাজহ সংক্ৰান্তীয়, পথ দুৰ্ঘটনা, বেংক ঋণ আদিৰ গোচৰ খৰতকীয়াকৈ নিষ্পত্তি কৰা হয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দুখন খেল গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অহা ১৫ আৰু ১৯ মে'ত অনুষ্ঠিত হ'ব। ১৫ মে'ত সন্ধিয়া চাৰে ৭ বজাত ৰাজস্থান ৰয়েলছ পাঞ্জাব কিংছৰ আৰু ১৯ মে'ত দলটো কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অসমৰ ক্ৰিকেটাৰ ৰিয়ান পৰাগে খেলি থকা ৰাজস্থান ৰয়েলছ দলৰ অধ্যক্ষ ৰঞ্জিত বৰঠাকুৰৰ উপস্থিতত আজি বি চি চি আইৰ যুটীয়া সচিব দেৱজিত শইকীয়াই এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, খেল দুখনৰ বাবে অহা ১৩ মে'ত ৰাজস্থান ৰয়েলছ দলটো গুৱাহাটীত উপস্থিত হ'ব। সংবাদমেলত ৰাজস্থান ৰয়েলছৰ অধ্যক্ষ শ্ৰীবৰঠাকুৰে অনাগত সময়ত গুৱাহাটীত আৰু অধিক খেল হ'ব বুলি আশা প্ৰকাশ কৰে। আনহাতে অনাগত সময়ত আই পি এলৰ দলসমূহত উত্তৰ-পূবৰ পৰা কমেও ২০ গৰাকী খেলুৱৈৰে অংশ লোৱাৰ বাবে পথ প্ৰসস্ত কৰাৰ তেওঁৰ পৰিকল্পনা আছে বুলিও শ্ৰীবৰঠাকুৰে জানিবলৈ দিয়ে।

০০০০০

গুৱাহাটীৰ পাটগাঁৱৰ এন ডি আৰ এফৰ প্ৰথম বেটেলিয়ানৰ উদ্যোগত আৰু মৰিগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উদ্যোগত মৰিগাঁও জিলাৰ সকলো ৰাজহচক্ৰত যোৱা ৬ মে'ৰ পৰা আৰম্ভ হোৱা বান প্ৰতিহতকৰণ অনুশীলনৰ আজি সামৰণি পৰিছে। এই অনুশীলন কাৰ্যসূচীত বানৰ লগতে অগ্নিকাণ্ডকে ধৰি বিভিন্ন দুৰ্যোগৰ মুখামুখি হোৱাৰ বাবে প্ৰয়োজনীয় কৌশল বিষয়ক কৰ্মশালা অনুষ্ঠিত কৰা হয়।

০০০০০

সমাপ্ত